**Munin Barkotoki Memorial Trust**
*Regn. No. 1374/12A/CA/95-96*
http://www.muninbarkotoki.org

PANCHABATI
Gopinath Bordoloi Road
Guwahati - 781003

# মুনীন বৰকটকী সাহিত্য বঁটা

## বঁটা বাছনি সম্পৰ্কে কেইটামান জানিবলগীয়া কথা

**(১) বঁটাৰ নাম আৰু প্ৰকাৰ—**

* **বঁটাৰ নাম ঃ মুনীন বৰকটকী সাহিত্য বঁটা।**

* **বঁটাৰ মূল্য ঃ** ৫০,০০০.০০ (পঞ্চাছ হাজাৰ) টকা, এটা স্মাৰক আৰু এখন প্ৰশস্তি-পত্ৰ।

* এই বঁটা সাধাৰণতে প্ৰতি বছৰে দিয়া হ'ব। * এই বঁটাৰ দাতা **মুনীন বৰকটকী স্মাৰক ন্যাস।**

**(২) বঁটা বাছনিত যোগদান কৰাৰ অৰ্হতা—**

* লেখক-লেখিকাৰ বয়স ৪০ (চল্লিছ) বছৰতকৈ বেছি হ'ব নালাগিব।

* লেখক-লেখিকাৰ জমা দিয়া গ্ৰন্থকে ধৰি তিনিখনতকৈ অধিক প্ৰকাশিত অসমীয়া গ্ৰন্থ থাকিব নালাগিব। পাণ্ডুলিপি জমা দিলে দুখনতকৈ অধিক প্ৰকাশিত অসমীয়া গ্ৰন্থ থাকিব নালাগিব।

* ছপা গ্ৰন্থৰ ক্ষেত্ৰত বঁটা প্ৰদান বছৰৰ আগৰ পাঁচ বছৰত প্ৰকাশিত হোৱা গ্ৰন্থ হ'ব লাগিব। অৰ্থাৎ ২০১৯ বৰ্ষৰ বঁটাৰ বাবে ১ জানুৱাৰী ২০১৪ৰপৰা ৩১ ডিচেম্বৰ ২০১৮ত প্ৰকাশিত গ্ৰন্থহে বিবেচিত হ'ব।

* এই বঁটাৰে এবাৰ পুৰস্কৃত হোৱা লেখক/লেখিকা পুনৰ নিৰ্বাচনৰ বাবে বিবেচিত নহ'ব।

* ৰাজ্যিক বা ৰাষ্ট্ৰীয় পৰ্যায়ত ইতিপূৰ্বে পুৰস্কৃত গ্ৰন্থ বা অন্য বিশিষ্ট প্ৰতিষ্ঠানৰ পুৰস্কাৰপ্ৰাপ্ত গ্ৰন্থ এই বঁটাৰ বাবে বিবেচিত নহ'ব।

* বিশুদ্ধ বিজ্ঞানৰ পুথি বা গৱেষণা গ্ৰন্থ বঁটাৰ বাবে বিবেচিত নহ'ব।

* গ্ৰন্থ বাছনি সমিতিৰ সদস্যৰ গ্ৰন্থ/পাণ্ডুলিপি বঁটাৰ বাবে বিবেচিত নহ'ব।

* জমা দিয়া গ্ৰন্থ/পাণ্ডুলিপিৰ হৈ কোনোধৰণৰ প্ৰচাৰ গ্ৰাহ্য কৰা নহ'ব আৰু তেনে অন্তৰ্ভুক্তি বঁটাৰ বাবে অবিবেচিত হ'ব।

**(৩) বঁটা বাছনিৰ বাবে গ্ৰন্থ/পাণ্ডুলিপি জমা দিয়াৰ নিয়ম—**

* ছপা গ্ৰন্থৰ পাঁচটা কপি বা পাণ্ডুলিপিৰ পাঁচটা কপি (ডি টি পি কৰি) নিৰ্দিষ্ট তাৰিখৰ ভিতৰত পোৱাকৈ বয়সৰ স্ব-প্ৰত্যায়িত প্ৰমাণ-পত্ৰসহ ন্যাসৰ কাৰ্যালয়লৈ পঠিয়াব লাগিব। লগতে ন্যাসৰ তৰফৰপৰা দিয়া এখন প্ৰ-পত্ৰ পূৰণ কৰি তাত স্বাক্ষৰ কৰিব লাগিব। প্ৰ-পত্ৰখন ন্যাসৰ ৱেবছাইট www.muninbarkotoki.org-ৰপৰা ডাউনল'ড কৰিও ল'ব পাৰিব।

* ইতিপূৰ্বে জমা দিয়া কিতাপ নতুনকৈ জমা নিদিলেও হ'ব; কিন্তু পাণ্ডুলিপি হ'লে পুনৰ জমা দিব লাগিব।

**(৪) নিৰ্বাচনৰ পদ্ধতি—**

* ন্যাসৰ তৰফৰপৰা এখন গ্ৰন্থ বাছনি সমিতি গঠন কৰা হ'ব আৰু এই সমিতিৰ সদস্যসকলৰ নাম আৰু বাছনি সম্পৰ্কীয় সকলো কাৰ্যকলাপ গোপনে ৰখা হ'ব।

* বঁটাৰ বাবে পঠিওৱা গ্ৰন্থ/পাণ্ডুলিপিৰ মাজৰপৰা উপযুক্ত গ্ৰন্থ/পাণ্ডুলিপি নিৰ্বাচিত নহ'লে নিয়মাৱলী অনুসৰি উপযুক্ত গুণসম্পন্ন বঁটাৰ বাবে নপঠোৱা পুথি গ্ৰন্থ বাছনি সমিতিৰ সদস্যসকলে বঁটাৰ বাবে বিবেচনা কৰিব পাৰিব।

* সমিতিৰ মতে বিবেচনা কৰা গ্ৰন্থ বা পাণ্ডুলিপিসমূহ বঁটাৰ বাবে উপযুক্ত নহ'লে সমিতিয়ে ন্যাসৰ লগত আলোচনা কৰি উপৰিউক্ত অৰ্হতাৰ সাল-সলনি কৰিব পাৰিব বা বঁটা প্ৰদানৰপৰা বিৰত থাকিব পাৰিব।

* গ্ৰন্থ বাছনি সমিতিৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

**(৫) বঁটাৰ ঘোষণা আৰু প্ৰদান—**

* নিৰ্দিষ্ট বছৰৰ বঁটা বিজয়ীৰ ঘোষণা সেই বছৰতে কৰিবলৈ চেষ্টা কৰা হ'ব। বঁটাৰ ঘোষণা এখন সংবাদ মেল আয়োজন কৰি বা সংবাদ মাধ্যমলৈ প্ৰেছ বিজ্ঞপ্তি প্ৰেৰণ কৰি কৰা হ'ব। * বঁটাৰ বাবে অনিৰ্বাচিত গ্ৰন্থ/পাণ্ডুলিপি লেখক-লেখিকালৈ ঘূৰাই পঠিওৱা নহ'ব। * বঁটা প্ৰদান অনুষ্ঠান ন্যাসে সময়-সুবিধা অনুসৰি আয়োজন কৰিব। * বঁটাৰ বাবে নিৰ্বাচিত লেখক/লেখিকাৰ বঁটা প্ৰদান অনুষ্ঠানলৈ অহা-যোৱাৰ (ভ্ৰমণ) আৰু থকা-মেলাৰ যাৱতীয় খৰচ ন্যাসে বহন কৰিব।

পঞ্চৱটী, গুৱাহাটী-৩

মুনীন বৰকটকী ন্যাসৰ হৈ
**মীনাক্ষী বৰকটকী**